# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড০ বি আৰ আম্বেদকাৰক অপমান কৰাৰ অভিযোগত বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। কেন্দ্ৰীয় চৰকাৰে এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক দুখন ৩১ জন সাংসদেৰে গঠিত যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰে অৰুণাচল প্ৰদেশৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে ৩৯৮ কোটি টকাত অনুমোদন জনাইছে।

৪। দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাত চলি থকা সন্ত্ৰাসবাদ বিৰোধী অভিযানত আজি পুৱা সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৫ টা সন্ত্ৰাসবাদী নিহত হয়। ***আৰু***

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড০ বি আৰ আম্বেদকাৰক অপমান কৰা বুলি অভিযোগ তুলি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত লোকসভা মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে শ্ৰী শ্বাহে কালি ৰাজ্যসভাত কৰা মন্তব্যৰ বিৰোধিতা কৰি শ্লোগান দিবলৈ আৰম্ভ কৰে। প্ৰতিবাদৰত কিছু সদস্যই সদনৰ মজিয়ালৈ উঠি যায়। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ জগদীপ ধনখড়ে গৃহমন্ত্ৰীৰ মন্তব্য আৰু অন্যান্য বিষয় লৈ বিৰোধী দলৰ সাংসদসকলৰ স্থগিতকৰণৰ প্ৰস্তাৱ খাৰিজ কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে দি, আম আদমী পাৰ্টী আৰু অন্য দলৰ সাংসদসকলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ মন্তব্যৰ বিৰোধিতা কৰি শ্ল'গান দিবলৈ ধৰে। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখে।

০০০০

কংগ্ৰেছ দলে ড০ বি আৰ আম্বেদকাৰক অপমান কৰাৰ অভিযোগ উত্থাপন কৰি আজি বিজেপি সাংসদসকলে সংসদৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে। দলৰ সদস্যসকলে প্লেকাৰ্ড লৈ বিৰোধীৰ বিৰুদ্ধে শ্লোগান দিয়ে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে নেহৰু-গান্ধী পৰিয়ালে সদায় ডাঃ আম্বেদকাৰৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰি আহিছে বুলি অভিযোগ তোলে। জৱাহৰ লাল নেহৰুৱে নিজেই ড০ আম্বেদকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি তেওঁক নিৰ্বাচনত পৰাস্ত কৰাৰ লগতে ৰাজনীতি ত্যাগ কৰিবলৈ বাধ্য কৰা বুলিও শ্ৰী ঠাকুৰে অভিযোগ উত্থাপন কৰে।তেওঁ কয় যে কংগ্ৰেছৰ তিনিটা প্ৰজন্মই আম্বেদকাৰক ভাৰত ৰত্ন নিদিলে আৰু পুৰণি সংসদ ভৱনৰ কেন্দ্ৰীয় কক্ষত তেওঁৰ আলোকচিত্ৰও ৰাখিবলৈ নিদিলে।

ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড০ বি আৰ আম্বেদকাৰ সন্দৰ্ভত অপমানজনক মন্তব্য দিয়া বুলি অভিযোগ তুলি বিৰোধী দলসমূহেও সংসদ ভৱন চৌহদত প্ৰতিবাদ অব্যাহত ৰাখিছে। কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টি, আৰ জে ডি আৰু বাওঁপন্থী দলৰ সদস্যসকলে শ্ৰীশ্বাহৰ বিৰুদ্ধে ডাঃ আম্বেদকাৰক অপমান কৰাৰ অভিযোগ উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে গৃহমন্ত্ৰী শ্বাহে বিষয়টো সন্দৰ্ভত ক্ষমা খোজাৰ দাবী তুলি সংসদ ভৱন চৌহদত সমদল উলিয়ায়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কে চি বেনুগোপালে অভিযোগ কৰে যে বিজেপিৰ সাংসদসকলে আত্মপক্ষ সমৰ্থনৰ বাবেহে প্ৰতিবাদ সাব্যস্ত কৰিছে।

০০০০

শাসকীয় বিজেপি আৰু বিৰোধী দলৰ সদস্য উভয়ে পৰস্পৰৰ বিৰুদ্ধে সুকীয়াকৈ কৰা প্ৰতিবাদৰ মাজতে আজি সংসদ ভৱন চৌহদত বিজেপিৰ সাংসদ প্ৰতাপ সাৰংগী আহত হয়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত সাৰংগীয়ে কয় যে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে ঠেলি দিয়া এগৰাকী সাংসদ অতৰ্কিতে গাৰ ওপৰত পৰি যোৱাত তেওঁ আহত হয়।সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এই ঘটনাক গৰিহণা দিয়ে। তেওঁ ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ সাংসদসকলে বিজেপিৰ সাংসদজনক আক্ৰমণ

কৰিছিল বুলিও অভিযোগ তোলে।তেওঁ লগতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে শাৰীৰিকভাৱে কৰা আচৰণত অসন্তুষ্টি ব্যক্ত কৰে।

ইয়াৰ বিপৰীতে শ্ৰী গান্ধীয়ে সংসদৰ ভিতৰত প্ৰবেশৰ চেষ্টা কৰোতে , বিজেপিৰ সাংসদসকলে তেওঁক বাধা দিবলৈ চেষ্টা কৰাৰ উপৰি তেওঁলোকেই তেওঁক ঠেলি দিয়া আৰু ভাবুকি দিয়াৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে এয়া সদনৰ প্ৰৱেশদ্বাৰ আৰু প্ৰতিজন সাংসদৰ সদনৰ ভিতৰলৈ যোৱাৰ অধিকাৰ আছে। সংবাদ মাধ্যমৰ আগত কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে কয় যে শাসকীয় দলৰ সাংসদে তেওলোকক সংসদ ভৱনত প্ৰৱেশত বাধা প্ৰদান কৰা কাৰ্যই লোকসভাৰ অধ্যক্ষৰ নিৰ্দেশক উলংঘা কৰিছে। তেওঁ লগতে কয় যে সদনৰ কোনো সদস্যক প্ৰবেশদ্বাৰ বন্ধ কৰিবলৈ দিয়া উচিত নহয়।

০০০০

কেন্দ্ৰীয় চৰকাৰে এখন দেশ এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়কদুখন ৩১ জন সাংসদৰে গঠিত যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰিব। এই প্ৰস্তাৱিত সমিতিত ২১ জন লোকসভাৰ সদস্য আৰু ১০ জন ৰাজ্যসভাৰ সদস্য থাকিব। এই সাংসদসকলৰ ভিতৰত বিজেপি নেতা পি পি চৌধুৰী, অনুৰাগ সিং ঠাকুৰ, পৰশোত্তমভাই ৰূপালা, কংগ্ৰেছ নেতা প্ৰিয়ংকা গান্ধী আৰু মনীষ তিৱাৰী, টি এম চিৰ কল্যাণ বেনাৰ্জী আৰু এন চি পি (এছ পি)ৰ সুপ্ৰিয়া ছুলেও আছে। এই বিধেয়কদুখনৰ নাম আনুষ্ঠানিকভাৱে সংবিধানৰ এশ উনত্ৰিছ সংখ্যক সংশোধনী বিধেয়ক, ২০২৪ হিচাপে ৰখা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে অৰুণাচল প্ৰদেশৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে ৩৯৮ কোটি টকাত অনুমোদন জনাইছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, যে কেন্দ্ৰীয় পথ আৰু আন্তঃগাথনি নিধিৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৯ টা ৰাজ্যিক জিলা পথ উন্নয়ন প্ৰকল্পৰ বাবে এই পুঁজি মোকলাই দিয়া হৈছে। ইয়াৰ জৰিয়তে সীমান্ত অঞ্চলসমূহৰ অতি ভিতৰুৱা ঠাইসমূহতো যোগাযোগৰ ব্যৱস্থা সূচল কৰি তোলাৰ লগতে সমগ্ৰ ৰাজ্যখনতে সামাজিক-অৰ্থনৈতিক বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপে কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূৰ খণ্ডৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰা, ভিতৰুৱা অঞ্চলসমূহৰ আন্তঃগাথনিৰ লগতে আঞ্চলিক উন্নয়ন সাধনৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

দক্ষিণ কাশ্মীৰৰ কুলগাম জিলাত চলি থকা সন্ত্ৰাসবাদ বিৰোধী অভিযানত আজি পুৱা সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৫ টা সন্ত্ৰাসবাদী নিহত হয়। সেনা বাহিনীৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰা মতে, এই সংঘৰ্ষত আঘাতপ্ৰাপ্ত হোৱা দুজন সেনা জোৱানক চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। এটা বিশেষ সূত্ৰৰ ভিত্তিত অঞ্চলটোত যোৱা নিশা সুৰক্ষা বাহিনীয়ে অভিযান চলাই বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। সুৰক্ষা বাহিনীৰ লোকে সন্ত্ৰাসবাদী কেইটা লুকাই থকা বুলি সন্দেহ কৰা কাদেৰ গাওঁত অভিযান চলোৱা সময়তে সন্ত্ৰাসবাদীকেইটাই তেওঁলোকলৈ লক্ষ্য কৰি গুলিবৰ্ষণ কৰে। নিহত সন্ত্ৰাসবাদীকেইটাক চিনাক্ত কৰা হৈছে আৰু অঞ্চলটোত অভিযান অব্যাহত আছে বুলি মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

নতুন দিল্লীত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা সম্পৰ্কীয় বৈঠক অনুষ্ঠিত হ'ব। উক্ত বৈঠকত মূলতঃ জম্মু-কাশ্মীৰৰ পৰিস্থিতিৰ লগতে জটিল নিৰাপত্তাজনিত বিষয়সমূহক লৈ আলোচনা কৰা হ'ব। জম্মু-কাশ্মীৰৰ শান্তি শৃংখলা উন্নত কৰিবৰ বাবে পৰ্যালোচনা কৰাৰ লক্ষ্যৰে জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাও বৈঠকখনত অংশ ল'ব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ সচিব গোৱিন্দ মোহন, চোৰাংচোৱা ব্যুৰ'ৰ সঞ্চালক তপন ডেকা, সেনা প্ৰধান উপেন্দ্ৰ দ্বিবেদীকে ধৰি জেষ্ঠ সেনা বিষয়া, চি-এ-পি-এফৰ সঞ্চালক প্ৰধান, জম্মু-কাশ্মীৰৰ ডি জি পিৰ মুখ্য সচিবকে ধৰি অন্যান্য জেষ্ঠ বিষয়াসকল এই বৈঠকত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হ'ব যোৱা ৪৩ বছৰত কুৱেইট ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে কুৱেইটৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োদেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজৰ মৈত্ৰীপূৰ্ণ সম্পৰ্কও অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

০০০০

ৰাষ্ট্ৰৰ জনসংখ্যাগত লভ্যাংশৰ ব্যৱহাৰ, উদ্ভাৱনক আগুৱাই নিয়া আৰু বহনক্ষম অগ্ৰগতি নিশ্চিত কৰাৰ বাবে শক্তিশালী স্বাস্থ্যসেৱা আৰু গুণগত শিক্ষা ব্যৱস্থাত বিনিয়োগ অতি প্ৰয়োজনীয় বুলি কেন্দ্ৰীয় স্বাস্থ্য সচিব পুণ্য সলিলা শ্ৰীবাস্তৱে মন্তব্য কৰিছে । নতুন দিল্লীত অনুষ্ঠিত বাৰ্ষিক স্বাস্থ্য সন্মিলনত দিয়া ভাষণত শ্ৰীমতী শ্ৰীবাস্তৱে কয় যে ভাৰতৰ স্বাস্থ্যসেৱাৰ কাৰ্যসূচীয়ে প্ৰতিজন নাগৰিকৰ বাবে স্বাস্থ্যসেৱাক সুলভ, কমখৰচী আৰু সৰ্বাংগীন কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত স্বাস্থ্যসেৱা খণ্ড অত্যন্ত গুৰুত্বপূৰ্ণ উপাদান বুলিও তেওঁ

উল্লেখ কৰে। শ্ৰীবাস্তৱে লগতে কয় যে ব্যক্তিগত খণ্ডৰ চিকিৎসা প্ৰতিষ্ঠানসমূহে মূল্য সংযোজিত সেৱাৰ আৰ্হি আৰু প্ৰযুক্তিগত উদ্ভাৱনৰ সহায়ত বিশেষকৈ দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ চহৰসমূহত স্বাস্থ্যসেৱাৰ পৰিৱৰ্তনত মূল ভূমিকা পালন কৰে । তেওঁ লগতে উদ্যোগপতিসকলক যক্ষ্মা মুক্ত ভাৰত গঢ়িবলৈ চৰকাৰে স্থিৰ কৰা লক্ষ্য পূৰণত অৰিহণা যোগাবলৈ আহ্বান জনায়।

০০০০

উচ্চতম ন্যায়ালয়ে আজি ৰাজধানী দিল্লী আৰু দেশৰ অন্যান্য চহৰসমূহত হোৱা বায়ু প্ৰদূষণ সন্দৰ্ভত শুনানি গ্ৰহণ কৰিব।ন্যায়াধীশ অভয় এছ ওকাৰ নেতৃত্বৰ এখন বিচাৰপীঠে দিল্লীৰ লগতে দেশৰ আটাইতকৈ প্ৰদূষিত চহৰসমূহৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিতং তথ্য বিচাৰিছে।উল্লেখযোগ্য যে যোৱা ১৬ ডিচেম্বৰত ন্যায়াধীশ এ.এছ. ওকা আৰু এ জি মাছিহে দিল্লীৰ প্ৰদূষণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি নিৰীক্ষণ কৰি ৰাজধানী চহৰখনে গোটা আৱৰ্জনা ব্যৱস্থাপনা নীতি, ২০১৬ অনুসৰণ কৰাত ব্যৰ্থ হোৱা বুলি উল্লেখ কৰিছিল। বিচাৰপীঠখনে দিল্লী চৰকাৰক এই নীতি অমান্য কৰাৰ বাবে সকীয়াই দিয়াৰ লগতে দিল্লীৰ মুখ্য সচিবক এই বিষয়ে কাৰণ দৰ্শাবলৈ তলব কৰিছিল।

০০০০

অসমৰ যোৰহাট জিলাৰ এগৰাকী আদৰ্শ খেতিয়ক তথা সদৌ অসম সাঁচি খেতিয়ক সন্থাৰ প্ৰতিষ্ঠাপক বিকাশ বৰালৈ ভাৰত বিকাশ সংগম নামৰ এটা ৰাষ্ট্ৰীয় সংস্থাই ২০২৫ বৰ্ষৰ ভাৰত গৌৰৱ বঁটা আগবঢ়াইছে। অসমৰ সাঁচি গছক ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যোৱাৰ উদ্দেশ্যে শ্ৰীবৰাৰ নেতৃত্বৰ এটা দলে ৰাজ্য চৰকাৰৰ সাঁচি নিধিৰ অধীনত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অহা ৫ ফেব্ৰুৱাৰীত কৰ্ণাটকত হবলগীয়া এটা অনুষ্ঠানত খেতিয়কগৰাকীক এই বঁটা প্ৰদান কৰা হব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি আদৰ্শ খেতিয়কগৰাকীক অভিনন্দন জ্ঞাপন কৰে।

০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজত অনুষ্টিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত দুয়োটা দলেই এতিয়ালৈ একোখনকৈ খেলত জয়লাভ কৰিছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতে প্ৰথম খেলখনত ৪৯ ৰানত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটো ৯ উইকেটত জয়ী হৈছিল।

০০০০

সমাপ্ত